**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-08-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। জনস্বাস্থ্যৰ প্ৰতি ভাবুকি অনা ১৫৬ বিধ ঔষধৰ বিক্ৰী আৰু ব্যৱহাৰত কেন্দ্ৰীয় চৰকাৰৰ নিষেধাজ্ঞা।
২। সমগ্ৰ দেশতে আজি শ্ৰীকৃষ্ণৰ জন্মাষ্টমী উদযাপন। ৰাজ্যৰ বিভিন্ন সত্ৰ, নামঘৰতো নাম-প্ৰসংগৰ আয়োজন।
৩। বিদেশ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ কাইলৈ দ্বীপৰাষ্ট্ৰ কিংদম অৱ টাংগা ভ্ৰমণ। **আৰু**
৪। আজিৰে পৰা নিউয়ৰ্কত ইউ এছ অপেন টেনিছ প্ৰতিযোগিতা।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে জন স্বাস্থ্যৰ প্ৰতি ভাবুকি অনা ১৫৬ বিধ ঔষধৰ বিক্ৰী আৰু ব্যৱহাৰ নিষিদ্ধ কৰিছে। জ্বৰ, চৰ্দি-কাহ, বিষ, এলাৰ্জি আদিত বহুল ভাবে ব্যৱহৃত এই ঔষধৰ উৎপাদন তথা মজুতকৰণতো কেন্দ্ৰীয় চৰকাৰে নিষেধাজ্ঞা আৰোপ কৰে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি ২০১৬ চনত গঠন কৰা বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অনুসৰি এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নিষিদ্ধ কৰা ঔষধৰ তালিকাত আছে ছেট্ৰিজিন, এইচ চি এল পেৰাচিটামল, ফেনিলেফ্ৰি, প্ৰপোনোলামাইন আদি। বিশেষজ্ঞ সমিতিৰ পৰামৰ্শ অনুযায়ী ইয়াৰ পূৰ্বে ১৪ বিধ ফিক্সড ড'জ কম্বিনেচন ঔষধত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল।

০০০০০০

সমগ্ৰ দেশতে আজি প্ৰভু শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা হৈছে। এই উপলক্ষে ভক্তপ্ৰাণ ৰাইজে মন্দিৰত গৈ পূজা-অৰ্চনা কৰিছে। উত্তৰ প্ৰদেশৰ মথুৰা আৰু বৃন্দাবনত উলহ-মালহেৰে শ্ৰীকৃষ্ণৰ জন্মোৎসৱৰ আয়োজন কৰা হৈছে। প্ৰভু শ্ৰীকৃষ্ণৰ জন্মস্থান মথুৰাৰ বাঁকে বিহাৰী মন্দিৰ, প্ৰেম মন্দিৰ, ইস্কন মন্দিৰ আৰু শ্ৰীকৃষ্ণ জনমভূমি মন্দিৰকে ধৰি হাজাৰ হাজাৰ মন্দিৰ এই উপলক্ষে সুন্দৰভাৱে সজাই তোলা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কালি জন্মাষ্টমীৰ প্ৰাকক্ষণত দেশবাসী তথা প্ৰবাসী ভাৰতীয়সকললৈ শুভেচ্ছা জ্ঞাপন কৰে। এটা বাৰ্তাৰ জৰিয়তে ৰাষ্ট্ৰপতিয়ে কয় যে, এই উৎসৱে আমাক ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিক আদৰ্শৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে উৎসাহিত কৰে। শ্ৰীমতী মুৰ্মুৰে শ্ৰীমদ্ভাগৱৎ গীতাত থকা শ্ৰীকৃষ্ণ আৰু অৰ্জুনৰ কথোপকথনক সমগ্ৰ মানৱ জাতিৰ বাবে উত্তৰণ আৰু প্ৰেৰণাৰ শাশ্বত উৎস বুলি আখ্যা দিয়ে। তেওঁ শ্ৰীকৃষ্ণৰ আদৰ্শেৰে পৰিচালিত হোৱাৰ লগতে দেশৰ সমৃদ্ধি তথা প্ৰগতিৰ বাবে কাম কৰাৰ ক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ৰাজ্যৰ ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্যই জন্মাষ্টমী উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে, জন্মাষ্টমী হৈছে ধৰ্ম, কৰ্ম আৰু সত্যৰ প্ৰতিমূৰ্তি শ্ৰীকৃষ্ণৰ জন্মদিন উদ্‌যাপন কৰা এটা উপলক্ষ্য। সেয়েহে ভগৱান শ্ৰীকৃষ্ণৰ পূজা অৰ্চনাই আমাক এই গুণসমূহৰ প্ৰতি নিজকে সমৰ্পিত কৰাৰ বাবে অনুপ্ৰাণিত কৰে আৰু আমাক সত্য পথত আগবাঢ়ি যাবলৈ পথ দেখুৱায়।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰতিটো ধৰ্ষণৰ ঘটনাক নিন্দা কৰাৰ লগতে সমাজৰ পৰা এনে জঘন্য অপৰাধ নিৰ্মূল কৰাটো সামূহিক দায়িত্ব বুলি প্ৰকাশ কৰিছে। সামাজিক মাধ্যম এক্সত কালি এটি পোষ্টযোগে এই কথা প্ৰকাশ কৰি তেওঁ যোৱা ২৪টা বছৰত ৰাজ্যত সংঘটিত হোৱা ধৰ্ষণৰ তথ্য দাঙি ধৰে। প্ৰকাশিত তথ্য অনুসৰি চলিত বৰ্ষৰ জুলাই পৰ্যন্ত ৰাজ্যত ৫৮০টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছে। যোৱা বৰ্ষত ৯৮৯টা ধৰ্ষণৰ ঘটনা সংঘটিত হৈছিল। এনে ধৰণৰ জঘন্য ঘটনা হ্ৰাস কৰাৰ লগতে মহিলাসকলৰ বাবে সুৰক্ষিত পৰিবেশ গঢ়ি তুলিবলৈ চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টা আৰু দায়বদ্ধতা এই প্ৰতিবেদনৰ জৰিয়তে প্ৰতিফলিত হোৱা বুলিও তেওঁ  প্ৰকাশ কৰে। তেওঁ লগতে সমাজত যাতে এনে ঘটনাৰ পুনৰাবৃত্তি  নহয় তাক সুনিশ্চিত কৰাৰ লগতে নিৰাপত্তা আৰু ন্যায়ৰ পৰিবেশ গঢ়ি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০০০

লেটিন আমেৰিকাৰ পাঁচখন ৰাষ্ট্ৰ ভ্ৰমণৰ পিছত বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই এইবাৰ কাইলৈ নতুন দিল্লীৰ পৰা পূবৰ দ্বীপ ৰাষ্ট্ৰ কিংডম অব টাংগালৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত সাংসদগৰাকীয়ে কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰাৰ উপৰি প্ৰশান্ত মহাসাগৰীয় দ্বীপ মঞ্চৰ সন্মিলনতো ভাষণ দিব। উল্লেখ্য যে, ৫৩ সংখ্যক প্ৰশান্ত মহাসাগৰীয় দ্বীপ মঞ্চৰ সন্মিলনত প্ৰথমবাৰৰ বাবে ভাৰতৰ এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। ২৯ আগষ্টলৈকে দেশখনত বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলগীয়া কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ ভ্ৰমণসূচী সন্দৰ্ভত ইতিমধ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

০০০০০০

প্ৰাক্তন সাংসদ পল্লৱলোচন দাসক অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষৰূপে নিযুক্তি দিয়া হৈছে। ইয়াৰ পূৰ্বে এই পদত বিজেপিৰ জ্যেষ্ঠ নেতা মিছন ৰঞ্জন দাসে কাৰ্যনিৰ্বাহ কৰিছিল। শেহতীয়াকৈ মিছন ৰঞ্জন দাসক ৰাজ্যসভালৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ পাছত তেওঁৰ স্থানত পল্লৱলোচন দাসক নিযুক্তি দিয়া হয়।

০০০০০০

কেন্দ্ৰীয় কেবিনেটে চৰকাৰী কৰ্মচাৰীসকলক নিশ্চিত পেঞ্চন প্ৰদানৰ উদ্দেশ্যে নতুন পেঞ্চন আঁচনি, একীকৃত পেঞ্চন আঁচনি চমুকৈ ইউ পি এছত অনুমোদন জনাইছে। কেবিনেট বৈঠকৰ পিছত নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে, ২০২৫ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই আঁচনিৰ জৰিয়তে প্ৰায় ২৩ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী উপকৃত হ'ব। তেওঁ কয় যে, ৰাষ্ট্ৰীয় পেঞ্চন নীতি অৰ্থাৎ এন পি এছৰ অধীনত থকা কৰ্মচাৰীসকলে এতিয়াৰে পৰা ইউ পি এছলৈ আহিব পাৰিব।

এই আঁচনি সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল শৰ্মাই এইদৰে কয়।

***ঃঃ ভইচ ঃঃ***

০০০০০০

বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী প্ৰফেচাৰ মহম্মদ ইউনুছে কৈছে যে, সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বিষয়টো হৈছে এটা ৰাজনৈতিক সিদ্ধান্ত আৰু এই অন্তৰ্বৰ্তীকালীন চৰকাৰখন কিমান দিনলৈ শাসনত থাকিব সেয়া বাংলাদেশৰ জনসাধাৰণে নিৰ্ধাৰণ কৰিব। বাংলাদেশ টেলিভিছনৰ জৰিয়তে দেশক সম্বোধন কৰি মহম্মদ ইউনুছে এইদৰে কয়। তেওঁ উল্লেখ কৰে যে দেশখনৰ প্ৰশাসন, ন্যায় পালিকা, নিৰ্বাচন আয়োগ, নিৰ্বাচন ব্যৱস্থা তথা আইন-কানুন ক্ষেত্ৰৰ প্ৰয়োজনীয় সংস্কাৰ সাধনৰ পাছতেই বাংলাদেশত নিকা,

মুক্ত আৰু অংশগ্ৰহণমূলক নিৰ্বাচন অনুষ্ঠিত হ'ব। তেওঁ লগতে কয় যে, এই নিৰ্বাচনৰ মূল লক্ষ্য হৈছে দুৰ্নীতি, লুটপাত তথা গণহত্যাৰ বিৰুদ্ধে এটা জবাবদিহি ৰাজনৈতিক ব্যৱস্থা গঢ়ি তোলা।

আনহাতে বিদেশ পৰিক্ৰমা সন্দৰ্ভত মুৰববীগৰাকীয়ে কয় যে, তেওঁলোকে সকলো দেশৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক বজাই ৰাখিব। উমৈহতীয়া বিশ্বাস আৰু সহযোগিতা তেওঁলোকৰ বৈদেশিক নীতিৰ ভেটি হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইপিনে ৰাষ্ট্ৰীয় সংহতিৰ বিষয়ে উল্লেখ কৰি প্ৰফেচাৰ ইউনুছে কয় যে, অন্তৰ্বৰ্তীকালীন চৰকাৰে সংস্কাৰ অনাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঐক্যৰ ক্ষেত্ৰত বিশ্বাস ৰাখে। তেওঁ কয় যে, ৰাজনৈতিক একতাৰ জৰিয়তে মহিলা, শিশু, দিব্যাংগ, ধৰ্মীয় সংখ্যালঘু আৰু থলুৱা লোকসকলৰ সুৰক্ষা নিশ্চিত কৰাৰ লগতে তেওঁলোক সকলোৰে যে দেশৰ নাগৰিক আৰু আইন অনুসৰি সকলোৰে সমান সুৰক্ষা লাভ কৰাৰ অধিকাৰ আছে সেয়া নিশ্চিত কৰা হ'ব।

ইয়াৰ পূৰ্বে বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ সাধাৰণ সচিব মিৰ্জা ফখৰুল ইছলাম আলমগিৰে ৰাজনৈতিক দলসমূহৰ সৈতে পৰামৰ্শৰ জৰিয়তে আৱশ্যকীয় সংস্কাৰ সাধনৰ পাছত দেশখনত অতি সোনকালে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে অন্তৰ্বৰ্তীকালীন চৰকাৰক স্পষ্ট ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আহ্বান জনাইছিল।

০০০০০০

প্ৰেছ ইনফৰমেশ্যন ব্যুৰো আৰু এইমছ গুৱাহাটীৰ উদ্যোগত আজি সাংবাদিকসকলৰ বাবে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাৱত পুৱা ১১ বজাৰ পৰা এই স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। স্বাস্থ্য শিবিৰত ভালেকেইগৰাকী চিকিৎসা বিশেষজ্ঞই সংবাদ মাধ্যমৰ সৈতে জড়িত লোকসকলৰ স্বাস্থ্য পৰীক্ষা কৰিব। এই শিবিৰত চকু, দাঁত, ৰক্তচাপ, মধুমেহ আদি পৰীক্ষা কৰাৰ লগতে প্ৰয়োজনীয় দৰৱপাতিও যোগান ধৰা হ'ব।

০০০০০০

পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ জিলা সদৰ হামৰেঙৰ উমটেলী ৰাজহ গাঁৱত মন্ত্ৰী ৰণজিৎ দাসে নতুনকৈ নিৰ্মাণ হ'বলগীয়া জিলা সমল কেন্দ্ৰৰ কালি আধাৰশিলা স্থাপন কৰে। দুই কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই সমল কেন্দ্ৰটোৰ জৰিয়তে পাহাৰীয়া জিলাখনৰ আত্মসহায়ক গোটৰ লগতে অন্যান্য স্বনিৰ্ভৰশীল সংগঠনসমূহকো বিভিন্ন ধৰণৰ প্ৰশিক্ষণ প্ৰদানেৰে স্বাৱলম্বিতাৰ বাট মুকলি কৰি দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত শেহতীয়াকৈ ১০ লাখ ৭৫ খন ৰেচন কাৰ্ড প্ৰদান কৰি সৰ্বমুঠ ৪২ লাখ ৰেচন কাৰ্য প্ৰদান কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আধাৰ কাৰ্ডৰ লগত ৰেচন কাৰ্ড সংলগ্ন কৰাৰ নিয়ম নিৰ্ধাৰণৰ পাছতে অসমত ৫০ লাখ ভুৱা ৰেচন কাৰ্ড বাতিল কৰি ৮ লাখ নতুনকৈ ৰেচন কাৰ্ড প্ৰদান কৰাৰ সামৰ্থৰ কথাও তেওঁ উল্লেখ কৰে। আনহাতে মৃত ব্যক্তিসকলৰ ঠাইতো নতুনকৈ অতিৰিক্ত তিনি লাখ ৰেচন কাৰ্ড প্ৰদানেৰে সৰ্বমুঠ ১২ লাখ নতুন ৰেচন কাৰ্ড প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যৰ নগৰাঞ্চলত থকা নলা-নৰ্দমাৰে বৈ যোৱা দূষিত পানী পৰিস্কাৰ তথা প্ৰদূষণমুক্ত কৰি ৰাখিবলৈ নগাঁৱত কালি পৰীক্ষামূলকভাৱে ৰাজ্যৰ প্ৰথমটো আৱৰ্জনাময় পানী নিষ্কাষণ কেন্দ্ৰৰ উদ্বোধন কৰা হয়। ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা, জনসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহালে নগাঁৱৰ ভূপেন হাজৰিকা মুকলি মঞ্চত অনুষ্ঠিত ৰাজহুৱা সভাত মুখ্য অতিথি হিচাপে অংশ লৈ কলং নৈৰ পাৰত স্থাপন কৰা ছিউৰেজ ট্ৰীটমেণ্ট প্লেণ্ট নামৰ ১২ কোটি ৪৬ লাখ টকা ব্যয় সাপেক্ষ এই প্ৰকল্পটোৰ বিষয়ে উল্লেখ কৰে। উল্লখযোগ্য যে প্ৰকল্পটোৰ

জৰিয়তে নগাঁৱৰ বৰ্তমান চাৰিটা ৱাৰ্ড সামৰি লোৱাৰ লগতে প্ৰতিদিনে দুই নিযুত লিটাৰ পানী পৰিশোধন কৰিব পৰা যাব বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া মন্ত্ৰী তথা ছাত্ৰ আৰু যুৱ কল্যাণৰ ৰাজ্যিক পৰ্যায়ৰ পৰামৰ্শদাতা সমিতিৰ অধ্যক্ষা নন্দিতা গাৰ্লোচা আৰু দক্ষতা, নিয়োগ, উদ্যমিতা বিভাগৰ মন্ত্ৰী তথা অসম এথলেটিকছ্ সন্থাৰ সভাপতি জয়ন্ত মল্লবৰুৱাৰ উপস্থিতিত কালি ৰাজ্যিক পৰ্যায়ৰ পৰামৰ্শদাতা সমিতি, ছাত্ৰ আৰু যুৱ কল্যাণ অসমৰ এখন বৈঠক অনুষ্ঠিত হয়। ৰাজ্যিক আৰু জিলা ক্ৰীড়া সন্থাসমূহৰ সভাপতি তথা সাধাৰণ সম্পাদকসকলৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত ৰাজ্যৰ ক্ৰীড়া খণ্ডক অধিক সুসংগঠিত আৰু সুব্যৱস্থাৰ মাজেৰে আগুৱাই নিয়াৰ বিষয়টো সন্দৰ্ভত আলোচনা কৰা হয়। দিছপুৰৰ ভোগেশ্বৰী ফুকননী ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত সভাখনত কেইবাগৰাকীও বিধায়ক, অসম এথলেটিকছ্ সন্থাকে ধৰি বিভিন্ন ক্ৰীড়া সন্থা তথা সংশ্লিষ্ট বিভাগৰ বিষয়ববীয়াও উপস্থিত থাকে।

০০০০০০

শোণিতপুৰ জিলাৰ শিঙৰী লক্ষ্মীনাৰায়ণ মন্দিৰ প্ৰাংগণত আজাদ হিন্দ ফৌজৰ প্ৰথমগৰাকী শ্বহীদ মেজৰ দুৰ্গা মল্লৰ স্মৃতিত হাম্ৰ প্ৰজাশক্তিৰ উদ্যোগত কালি বিভিন্ন কাৰ্যসূচীৰে ৮১ সংখ্যক বলিদান দিৱস উদযাপন কৰা হয়। ইয়াৰ লগতে ঠেলামৰাৰ বাপুজী ভৱনত ভাৰতীয় গোৰ্খা পৰিসংঘ শোণিতপুৰ জিলা সমিতিৰ তথা তেজপুৰত গোৰ্খা সন্মিলিত শোণিতপুৰ জিলা সমিতিৰ উদ্যোগতো শ্বহীদগৰাকীক স্মৰণ কৰা হয়। উল্লেখযোগে যে আজাহ হিন্দ ফৌজৰ গুপ্তচৰ বিভাগৰ মেজৰ গৰাকীক ১৯৪৪ চনৰ ২৫ আগষ্টত দিল্লীৰ লালকিল্লাত মৃত্যুদণ্ড বিহাৰ দিনটোক বলিদান দিৱস হিচাপে উদযাপন কৰি অহা হৈছে।

০০০০০০

ইউ এছ্ অপেন টেনিছ্ প্ৰতিযোগিতা ২০২৪ আজি নিউয়ৰ্কত আৰম্ভ হ'ব। এইবাৰৰ প্ৰতিযোগিতাত সুমিত নাগল আৰু ৰোহন বোপন্নাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব। সুমিত নাগল ২০১৯ চনৰ পাছৰ পৰা চাৰিওখন গ্ৰেণ্ডশ্লাম প্ৰতিযোগিতাৰ একক শাখাত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰথমগৰাকী ভাৰতীয় খেলুৱৈ হিচাপে বিবেচিত হ'ব। বিশ্ব টেনিছ্ ৰেংকিঙৰ ৫২ সংখ্যক স্থানত থকা সুমিত নাগল এইবছৰ ফ্ৰেন্স অপেন আৰু উইম্বলডন চেম্পিয়নশ্বিপ প্ৰথম ৰাউণ্ডৰ পৰা বাহিৰ হোৱাৰ পূৰ্বে অষ্ট্ৰেলিয়ান অপেনত দ্বিতীয় ৰাউণ্ডলৈ উন্নীত হৈছিল। আনহাতে দুবাৰকৈ গ্ৰেণ্ডশ্লাম চেম্পিয়ন হোৱা ৰোহন বোপন্না আৰু তেওঁৰ অষ্ট্ৰেলিয়াৰ সহযোগী মেথিউ ইবডিন স্পেইনৰ মাৰ্ছেল গ্ৰাণোলাৰ্ছ আৰু আৰ্জেণ্টিনাৰ হ'ৰাচীঅ' জেবাল'ছৰ পাছত পুৰুষৰ ডাবলছত দ্বিতীয় স্থানত আছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ ভিতৰত অসমীয়া প্ৰতিদিন কাকতে শতাধিক যুদ্ধ বিমানেৰে লেবাননত ইজৰাইলৰ আক্ৰমণ, দৈনিক অসম কাকতে পদসেতুৰ নামত কোটি কোটিৰ অপচয়, দৈনিক জনমভূমি কাকতে পট পৰিৱৰ্তনৰ দিশে বড়ো ভূমিৰ ৰাজনীতি ঃ বিজেপিৰ আগ্ৰাসন ৰোধৰ কৌশল ! একত্ৰিত হোৱাৰ দিশে বিপিএফ-ইউপিপি এল শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা, আমাৰ অসম, অসমীয়া খবৰ আৰু দৈনিক অগ্ৰদূত কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কি বাত অনুষ্ঠানৰ যোগেদি অসমৰ প্ৰাকৃতিক সম্পদক প্ৰশংসা কৰাৰ লগতে মৰাণ সম্প্ৰদায়ৰ হলৌ বান্দৰক সুৰক্ষাৰ প্ৰচেষ্টাৰ বাতৰিটো প্ৰথম পৃষ্ঠাৰ এটা মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰে ১৫৬ বিধ গুৰুত্বপূৰ্ণ ঔষধ নিষিদ্ধ ঘোষণা কৰাৰ বাতৰিটো অসমীয়া প্ৰতিদিন, দৈনিক অসম, নিয়মীয়া বাৰ্তাৰ লগতে আন কেইবাখনো কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কৰ্মচাৰী পৰিষদে- ক্ষতিকাৰক হ'লে একত্ৰ পেন্সন আঁচনি গ্ৰহণ নকৰাৰ বাতৰি আৰু আৰক্ষীত ১৩ হাজাৰ পদ খালী থকাৰ বাতৰি প্ৰায় কেইখন কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। ৰেচন কাৰ্ডত চাউলৰ পৰিৱৰ্তে ৯ বিধ অত্যাবশ্যকীয় সামগ্ৰী চৰকাৰে প্ৰদান কৰাৰ বাতৰিটোৰ লগতে ২৮ আগষ্টত বিদেশ পৰিক্ৰমা আৰু বস্ত্ৰশিল্পৰ ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই টংগা ৰাষ্ট্ৰ ভ্ৰমণ কৰি আন্তঃৰাষ্ট্ৰীয় নেতৃত্বৰ বৈঠকত অংশ লোৱাৰ বাতৰিটো অসমীয়া খবৰ কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দি আছাম ট্ৰিবিউন আৰু দ্যা ছেণ্টিনেল কাকতে ক্ৰমে Crime against women unpardonable sin : PM আৰু Rupess 1 lakh crore for NE by 55 ministries in 2024-25 শিৰোনামৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – যোৱা তিনি বছৰত ৰাজ্যত বলাৎকাৰৰ গোচৰ সংখ্যা হ্ৰাস পোৱা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য, ধিঙত সংঘটিত কিশোৰী যৌন নিৰ্যাতনৰ ঘটনাক লৈ বিভিন্ন দল-সংগঠনৰ প্ৰতিবাদ অব্যাহত ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ পৰা প্ৰকাশিত প্ৰথমখন কাৰ্বি ভাষাৰ দৈনিক বাতৰি কাকত দা আৰ্লেং ডেইলিৰ সম্পাদক তথা স্বত্বাধিকাৰী টি পি হাঞ্চেৰ আজি পুৱতি নিশা ডিফুৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৪ বছৰ।

০০০০০০

সমাপ্ত